BIKALI COLLEGE LIBRARY

*Total number of printed pages–3*

**14 (ASM–3) 3106**

**2022**

**ASSAMESE**

Paper : ASM–3106

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) অসমীয়া ভাষাৰ স্পৰ্শ বা স্ফোট ব্যঞ্জনসমূহক কি কি ভিত্তিত কেনেধৰণে শ্ৰেণীবিভাজন কৰিব পাৰি তালিকাবদ্ধ কৰি দেখুওৱা। প্ৰতিটো স্পৰ্শব্যঞ্জনৰ শব্দৰ আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধী প্ৰয়োগৰ উদাহৰণ দিয়া। ৪+৮=১২

(খ) ৰূপ-ধ্বনিগত পৰিৱৰ্তন বুলিলে কি বুজা? অসমীয়া ভাষাত পৰিলক্ষিত হোৱা ৰূপ-ধ্বনিগত পৰিৱৰ্তন সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা। ২+১০=১২

Contd.

BIKALI COLLEGE LIBRARY

(গ) ব্যাকৰণগত বিষয় (grammatical categories) মানে কি? অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়সমূহে বাক্যৰ গঠনক কিদৰে প্ৰভাৱিত কৰে উদাহৰণসহ দেখুওৱা। ২+১০=১২

(ঘ) বদ্ধৰূপ বা সৰ্গসমূহক কেইশ্ৰেণীত বিভক্ত কৰিব পাৰি? অসমীয়া ভাষাৰ ক্ৰিয়াৰূপৰ সৈতে সম্পৰ্কযুক্ত বদ্ধৰূপৰ বিষয়ে নিদৰ্শনসহ বিশ্লেষণ কৰা। ২+১০=১২

(ঙ) "প্ৰত্যেক মানুহে নিজৰ সৃজনী ক্ষমতাৰে প্ৰতিদিনে নতুন নতুন বাক্য সৃষ্টি কৰে।" খণ্ডবাক্য গঠনৰ নিয়মৰ সহায়ত নোৱাম চমস্কিৰ এই বক্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

(চ) ইংগিতাৰ্থ বুলিলে কি বুজা? ইংগিতাৰ্থ কিহৰ পৰা ওপজে? আলোচনা কৰা। ২+১০=১২

(ছ) "বাক্যৰ অৰ্থ বাক্যৰ অন্তৰ্গত শব্দৰ অৰ্থ আৰু শব্দৰ মাজৰ সম্বন্ধ বা সংগতিৰ ওপৰত নিৰ্ভৰশীল।"
উদাহৰণৰ সহায়ত কথাষাৰ ব্যাখ্যা কৰা।

(জ) ধ্বনি (Phone), বৰ্ণ (Phoneme) আৰু উপধ্বনি (Allophone)ৰ স্বৰূপ ব্যাখ্যা কৰা। অসমীয়া ভাষাৰ পাৰ্শ্বিক আৰু কম্পিত বৰ্ণদুটাৰ উপধ্বনিসমূহ বিশ্লেষণ কৰা। ৬+৬=১২

BIKALI COLLEGE LIBRARY

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) বাকধ্বনিৰ উৎপাদন প্ৰক্ৰিয়া

(খ) অসমীয়া ভাষাৰ ক্ৰিয়াবিভক্তি

(গ) সাৰ্বজনীন ব্যাকৰণ (Universal Grammar)

(ঘ) প্ৰাক্‌ধাৰণা (Presupposition)

(ঙ) প্ৰতিপন্নকৰণ (Assertion)

(চ) শব্দৰ ব্যাকৰণগত শ্ৰেণী